*আন্তঃৰাষ্ট্ৰীয় গাণিতিক সংঘৰ (IMU) অধীনৰ এখনি সমিতি হৈছে 'Committee for Women in Mathematics' (CWM)। সমিতিখনৰ শেহতীয়া খবৰ-পত্ৰিকাত ভাৰতীয় গণিতজ্ঞ নীলা নটৰাজৰ (Neela Nataraj) এটি সাক্ষাৎকাৰ প্ৰকাশ হৈছে। তেওঁ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান বোম্বেৰ (IITB) গণিত বিভাগৰ প্ৰথমগৰাকী মহিলা মুৰব্বী অধ্যাপকো। সাক্ষাৎকাৰটিত বিভিন্ন প্ৰশ্নৰ উত্তৰত তেওঁ কোৱা কেইটিমান কথা এনেধৰণৰ:*



মই কেইবাখনো বিদ্যালয়ত পঢ়িছিলোঁ (১মৰ পৰা ১০ম শ্ৰেণীলৈকে), কাৰণ মোৰ দেউতায়ে বদলিকৰণ হৈ থকা চাকৰি এটা কৰিছিল। মই স্কুলীয়া শিক্ষা আৰম্ভ কৰিছিলো মুম্বাইত আৰু পিছত ভাৰতৰ দক্ষিণত অৱস্থিত এখন ৰাজ্য কেৰালালৈ গৈছিলো আৰু কেৰালাৰ বিভিন্ন বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিছিলোঁ। মই পাঁচ-ছয়বাৰ বিদ্যালয় সলনি কৰিছিলোঁ। স্কুলীয়া জীৱনৰ বিকাশমান বছৰবোৰত মোৰ এক গণিত-ভীতি আছিল। কোনো পৰ্যায়ত, দশম আৰু দ্বাদশ শ্ৰেণীৰ মাজত, কেইজনমান উত্তম শিক্ষকে মোৰ আত্মবিশ্বাস গঢ়ি উঠাৰ পৰিৱৰ্তনটো আনি দিছিল, যিটোৱে মোক কলেজত গণিতক বিশেষ বিষয় হিচাপে ল'বলৈ সিদ্ধান্ত লোৱাত সহায় কৰিছিল। যদিও স্নাতকৰ সময়ত মই গণিতৰ প্ৰতি উৎসাহী আছিলোঁ, কিন্তু পিএইচডি কৰাৰ কোনো পৰিকল্পনা মোৰ নাছিল। এটা অতি ৰক্ষণশীল পৰিয়ালৰ সদস্য হোৱাৰ হেতু, দীৰ্ঘ সময়ৰ শেষত পূৰণ হ'বলগীয়া লক্ষ্য স্থিৰ কৰাটো সহজ কথা নাছিল। শৈশৱৰ পৰা স্পষ্ট হৈ থকা মোৰ একমাত্ৰ কথাটো এইটোৱেই আছিল যে শিক্ষকতাক মই মোৰ বৃত্তি হিচাপে ল'ব বিচাৰোঁ।

... শ্ৰেণীসমূহৰ বাহিৰৰ বহুতো প্ৰশ্ন সমাধানত মই লাগিবলৈ ধৰিছিলোঁ। মই analysis, reasoning আৰু logical thinking ও ভাল পাইছিলোঁ। পিএইচডি কৰাৰ প্ৰথম প্ৰেৰণা আৰম্ভ হৈছিল স্নাতকোত্তৰ প্ৰথম বৰ্ষৰ গ্ৰীষ্মকালৰ সময়ত, যেতিয়া মই ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান বাংগালোৰত (IISc Bangalore) তিনি সপ্তাহীয়া কৰ্মশালা এখনত অংশ লৈছিলোঁ। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা আহি তাত অংশ লোৱা অত্যন্ত প্ৰেৰণাদায়ী কিছুমান ব্যক্তিৰ সৈতে মই মত-বিনিময় কৰিছিলোঁ, আৰু কিছু সংখ্যক বিস্ময়কৰ গণিতজ্ঞই প্ৰদান কৰা বক্তৃতাও শুনিছিলোঁ। বিশেষকৈ, অধ্যাপক এছ কেচৱেন (Prof. S. Kesavan) আৰু এম ভানিনাথনৰ (Prof. M. Vanninathan) অসাধাৰণ শিক্ষাদান দক্ষতা, জ্ঞানৰাজী আৰু প্ৰৱল সক্ৰিয় কৰ্মশক্তিয়ে মোক বহুত অনুপ্ৰাণিত কৰিছিল। উল্লেখ কৰা নিষ্প্ৰয়োজন যে কেৰালা বিশ্ববিদ্যালয়ত মোৰ স্নাতকোত্তৰ শ্ৰেণীৰ কিছুসংখ্যক প্ৰশিক্ষকো এক বৃহৎ প্ৰেৰণা আছিল। ধীৰে ধীৰে, মই পিএইচডিত যোগদানৰ কথা ভাবিবলৈ আৰম্ভ কৰিছিলোঁ। অৱশ্যে, শৈক্ষিক বৃত্তিৰ লগতে গৱেষণা কেৰিয়াৰৰ কথা মই কেতিয়াও ভবা নাছিলোঁ। মই এইটোৱেই ক'ব বিচাৰো– মোৰ জীৱিকাৰ পথ মুকলি হৈ গৈ আছিল, আৰু মই মাত্ৰ প্ৰচলিত ব্যৱস্থাত সোমাই গৈছিলোঁ।

... মোৰ আদৰ্শ মোৰ মাতৃ। মই এটা অতি পৰম্পৰাগত দক্ষিণ ভাৰতীয় পৰিয়ালৰ পৰা আহিছোঁ, য'ত মহিলাসকলে জীৱনত সোনকালেই ঘৰ পাতিব লাগে বুলি আশা কৰা হৈছিল, যাৰ অৰ্থ হৈছে বিয়াত বহা আৰু কেতিয়াবা সুস্থিৰ চাকৰি এটা কৰা। মোৰ মায়ে বোম্বে বিশ্ববিদ্যালয়ৰ পৰা উদ্ভিদ-বিজ্ঞানত পিএইচডি কৰিছিল, কিন্তু মোৰ সৰু ভণ্টী আৰু মোৰ যত্ন ল'বলৈ মায়ে অধ্যাপনাৰ চাকৰি এৰি দিছিল। সেই সময়ত শিশু প্ৰতিপালনত সহায় পোৱাৰ বিকল্প নাছিল আৰু মোৰ দেউতাৰ বদলি হৈ থকা চাকৰিটোৰ বাবে মায়ে শৈক্ষিক কেৰিয়াৰ জলাঞ্জলি দিব লগা হৈছিল। কিন্তু মই ভাবো সেইটো তেওঁৰ পছন্দও আছিল, কিয়নো এনে কোনো দিন মনত নপৰে যেতিয়া নেকি মোৰ মায়ে আমাক ডাঙৰ কৰিবলৈ তেওঁৰ কেৰিয়াৰ এৰি দিয়া বুলি কৈছিল বা অনুশোচনা কৰিছিল। মই বিশ্বাস কৰোঁ, জীৱনৰ অগ্ৰাধিকাৰ নিৰূপণত তেওঁৰ স্পষ্টতা আছিল, আৰু এইটো এটা বুনিয়াদী শিক্ষা যিটো মই তেওঁৰ পৰা শিকিছিলোঁ। পৰিস্থিতি নিৰ্বিশেষে, তেওঁ তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠখিনি কৰি তুলিছিল, সদায় সুখী আছিল আৰু জীৱনৰ প্ৰতি ইতিবাচক মনোভংগী আছিল। তেওঁৰ লক্ষণসমূহে মোৰ ব্যক্তিত্ব গঠন কৰাত প্ৰভাৱিত কৰিছে। মই কেতিয়াও তেওঁক আলস্য ৰূপত দেখা নাছিলোঁ। তেওঁ তেওঁৰ সময়বোৰ কোনো আৰ্থিক লাভৰ অবিহনে এনে একোটা কামত খটুৱাইছিল যিয়ে জনসাধাৰণক বহু উপকৃত কৰিছিল। মই ভাবো, শিক্ষাদানৰ প্ৰতি মোৰ আগ্ৰহ তেওঁৰ পৰাই উত্তৰাধিকাৰ ৰূপে লাভ কৰিছিলোঁ – যেতিয়া তেওঁ শিক্ষাদানৰ কেৰিয়াৰ অব্যাহত ৰাখিব পৰা নাছিল, তেতিয়াও তেওঁ শিক্ষাৰ্থীসকলক শিকাইছিল যিসকলক তেওঁলোকৰ অধ্যয়নত সহায়ৰ প্ৰয়োজন আছিল। যেতিয়া মোৰ সৰু ভণ্টী (অধ্যাপক দীপা ভেংকটেশ, যিয়ে মোক তেওঁৰ আদৰ্শ বুলি বিবেচনা কৰে) আৰু মই তেওঁৰ ওপৰত নিৰ্ভৰশীল নোহোৱাকৈ চলিব পৰিছিলো, তেতিয়া তেওঁ এখন বিদ্যালয়ত অধ্যক্ষ হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিছিল। চমুকৈ ক'বলৈ গ'লে, তেওঁ মোক তেওঁৰ চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত কৰিছে, আৰু মোক সঁচাকৈয়ে জীৱনৰ গুৰুত্বপূৰ্ণ শিক্ষা দিছে।